**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-03-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৮ খন আসনৰ লগতে  আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ এটা অংশৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি ল'বলগীয়া আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হ'ব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হ'ব।

০০০০০০

————ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি থকা হৈছে। এই পৰ্যায়ত ৰাজ্যৰ ৫ খন আসন সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। বিজেপিৰ হৈ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, সাংসদ প্ৰদান বৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ৰঞ্জিত দত্তই এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰাক্তন বিধায়িকা ৰ'জলিনা তিৰ্কীয়েও মনোনয়ন দাখিল কৰিছে। ডিব্ৰুগড় সমষ্টিত সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ অৱতীৰ্ণ হৈছে। ইফালে, ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ বাবেও মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শিলচৰ আৰু নগাঁৱকে ধৰি পাঁচটা সমষ্টিত দ্বিতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

আনহাতে, প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত সামৰি ল'বলগীয়া বিহাৰৰ সমষ্টিকেইটাৰ বাবে দাখিল কৰা মনোনয়নসমূহ পৰহিলৈ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ বাবে ৯ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ নাম পঞ্জীয়নৰ ক্ষেত্ৰত পূৰ্বে জাৰি কৰা নিৰ্দেশনাত কেতবোৰ সংশোধন কৰিছে। পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি পঞ্জীয়নৰ বাবে ১১টা সংখ্যাৰ ইউ ডাইচ কোড বাধ্যতামূলক কৰা হৈছে। কোনো বিদ্যালয়ৰ ইউ ডাইচ কোড নাথাকিলে তেওঁলোকে আবেদন কৰা বুলি উল্লেখ কৰিব লাগিব। এই কোড নথকা বিদ্যালয়সমূহক শীঘ্ৰেই সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। নিৰ্দেশনা অনুসৰি ইউ ডাইচ কোড নথকা শিক্ষানুষ্ঠানে পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন অব্যাহত ৰাখিব নোৱাৰিব। অধীসূচনা অনুসৰি প্ৰত্যেকগৰাকী শিক্ষাৰ্থীৰ নাম পঞ্জীয়নৰ সময়ত গুণোৎসৱ বা শিক্ষা সেতুত ব্যৱহাৰ কৰা অষ্টম শ্ৰেণীৰ ১৭টা সংখ্যাৰ আইডি প্ৰদান কৰিব লাগিব। শিক্ষাৰ্থীৰ এই আইডি নাথাকিলে নিৰ্ধাৰিত স্থানত উপলব্ধ নহয় বুলি বিদ্যালয়সমূহে উল্লেখ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ ১৭টা সংখ্যাৰ আইডি নথকা ব্যক্তিগতখণ্ডৰ বিদ্যালয় আৰু অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহকো পঞ্জীয়নৰ সময়ত উপলব্ধ নহয় বুলি সন্নিৱিষ্ট কৰিবলৈ অধীসূচনা যোগে নিৰ্দেশ দিয়া হৈছে। আনহাতে মাধ্যমিক শিক্ষা পৰিষদে ছাত্ৰ-ছাত্ৰীৰ নৱম শ্ৰেণীৰ নামভৰ্তিৰ সময়ত অষ্টম শ্ৰেণীৰ মাৰ্কশ্বিট, প্ৰমাণ পত্ৰ, ৰিপোৰ্ট কাৰ্ড সংগ্ৰহ কৰি সেয়া কাৰ্যালয়ৰ নথি হিচাপে ৰাখিবলৈ শিক্ষানুষ্ঠানসমূহক নিৰ্দেশ দিছে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে নাগালেণ্ডৰ ৮খন জিলাত আৰু অৰুণাচল প্ৰদেশৰ ৩খন জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ আৰু ছমাহলৈ বৃদ্ধি কৰিছে। ১ এপ্ৰিলৰ পৰা ছমাহলৈ অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰা নাগালেণ্ডৰ ৮খন জিলাৰ ২১খন থানাৰ অন্তৰ্গত অঞ্চলসমূহৰ লগতে অৰুণাচল প্ৰদেশৰ ৩ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহ আইনখনৰ আওতাত থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ পৰা এখন জাননীযোগে কোৱা হৈছে যে নাগালেণ্ডৰ ডিমাপুৰ, নিউলেণ্ড, চুমৌকেডিমা, মন, কিফিৰে, নকলাক, ফেক আৰু পেৰেন জিলা তথা আন ৫ খন জিলাৰ ২১ খন থানাৰ অন্তৰ্গত অঞ্চলসমূহত ছমাহৰ বাবে বিক্ষিপ্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ ডেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৩১ ৰানত পৰাস্ত কৰে।

oooooo

**সমাপ্ত**